politics, geography, social policy, social scientific methodology, some of economics as well as a sizeable part of history" হ'ল সংস্কৃতি।

দেখা যায় যে অসমত হিন্দু ধৰ্মাৱলম্বীসকলৰ মাজত একশৰণপন্থী বৈষ্ণৱৰ উপৰি আছে যথেষ্ট সংখ্যক শাক্ত আৰু শৈৱ। শংকৰদেৱৰ মতানুসৰণ নকৰা, অৰ্থাৎ অন্য পন্থৰো বৈষ্ণৱ অসমত আছে। অসমত অৱশ্যে শৈৱসকল সুস্পষ্ট নহয়। শংকৰদেৱৰ সময়তো অসমৰ ভালেসংখ্যক ইছলামধৰ্মী লোক আছিল। পিছে দেখা যায় ইছলামধৰ্মী আৰু শাক্তসকলৰ সাংস্কৃতিক আচৰণৰ আধাৰ ভূমি শংকৰদেৱসৃষ্ট বৈষ্ণৱ আচৰণহে। শংকৰাচাৰ্যৰ পথেৰেই অদ্বৈতবাদী দৰ্শনৰ আধাৰত শংকৰদেৱে তেখেতৰ ধৰ্মমতটো গঢ় দিছিল; পিছে শংকৰাচাৰ্যৰ কঠোৰতা শংকৰদেৱৰ নাছিল। কাৰণ শংকৰদেৱৰ সময়ৰ অসমৰ সামাজিক আৰু সাংস্কৃতিক প্ৰয়োজন আছিল বেলেগ—উত্তৰ বা দক্ষিণ ভাৰতৰ সৈতে নিমিলা। এনে পাৰ্থক্যই শংকৰদেৱৰ ধৰ্মমতটোকো পৃথকতা প্ৰদান কৰিছিল। শংকৰদেৱৰ ধৰ্মসংস্কাৰ কাৰ্য যদিও সৰ্বভাৰতীয় নৱবৈষ্ণৱ আন্দোলনৰে অংশ আছিল, তেখেতে কিছু পৃথক চৰ্ত বা বৈশিষ্ট্য নিজৰ ধৰ্মমতটোত সংযোগ কৰিছিল। সেই পৃথকতাকে লৈ এখন বিশেষ সমাজ গঠন হৈছিল। সেই সমাজখনকে আধুনিক কালত 'অসমীয়া সমাজ' বোলা হৈছে। 'অসমীয়া সমাজ' থকা ভূখণ্ডৰে নাম 'অসম'।

## 'অসম' এটা অৰ্বাচীন ধাৰণা

আলোচনাটোত বাৰম্বাৰ আহি থকা দুটি শব্দ বা অভিধা অথবা সংজ্ঞা সন্দৰ্ভত আগতীয়াকৈ কৈ লোৱাটো যুগুত হ'ব।

সুপ্ৰাচীন কালত কামৰূপ নামে অভিহিত এই ভূখণ্ডৰ 'অসম' নামটো মহাসময়ৰ হিচাপত তেনেই নতুন বা অৰ্বাচীন। ইতিহাসৰ বুকুত এইটো ভূখণ্ড বুজাবলৈ ব্যৱহাৰ কৰা 'অসম' অভিধাটোক জনপ্ৰিয় কৰিলে ব্ৰিটিছসকলেহে। মানৰ আক্ৰমণ প্ৰতিৰোধৰ অজুহাতত 'আহোম ৰাজ্য' সোমোৱা ব্ৰিটিছসকলেহে তৎকালীন 'গোৱালপাৰা জিলা' অঞ্চলক বাদ দি বাকী অংশক বুজাবলৈ অসম (ইংৰাজীত ASAM আৰু ASSAM) অভিধাটো ব্যৱহাৰ কৰিছিল। মহাপুৰুষ শংকৰদেৱৰ ৰচনাত 'অসম' শব্দটো পোৱা যায়; পিছে এই শব্দটোৱে তেতিয়াৰ ৰাজ্যখনক নহয়, ৰাজ্যখনৰ অৰ্ধাংশমান শাসন কৰি থকা আহোমকহে বুজাইছিল। 'আহোম' শব্দটোৰ সংস্কৃত ৰূপ হিচাপে মহাপুৰুষে 'অসম' শব্দটো প্ৰয়োগ কৰিছিল যেন লাগে।

ব্ৰিটিছসকলে 'অসম' (ASAM, ASSAM) শব্দটো ক'ৰ পৰা লৈছিল? সম্ভৱতঃ ফাৰ্চী ভাষাৰ পৰা। ১৬৫০ চন মানত ৰচিত চিহাবুদ্দিন তালিচৰ সুবিখ্যাত গ্ৰন্থ তাৰিখ-ই-আছামত (মতান্তৰে ফাটিয়া-ই-ইব্ৰিয়া) তেতিয়াৰ আহোম ৰাজ্যক বুজাবলৈ যিটো শব্দ ব্যৱহাৰ কৰা হৈছিল তাৰ ইংৰাজী ৰূপান্তৰ হয় ASHAM। এই ASHAMৰ উচ্চাৰণ 'আছাম'। ব্ৰিটিছসকলে ধ্বনিগত দিশটোক প্ৰাধান্য দি ভূখণ্ডটোৰ নাম থ'লে আছাম; প্ৰথমে ASAM, পাছলৈ ASSAM। আধুনিক যুগত 'আছাম'ৰ বাসিন্দাসকলক বুজাবলৈ ব্ৰিটিছসকলে সৃষ্টি কৰিলে Assamese শব্দটো, এই আছামৰ বাসিন্দাসকলৰ বেছি আৰু প্ৰভাৱশালী অংশই কোৱা ভাষাটোৰ নামো ইয়াৰ ব্যাকৰণ লিখিবৰ সময়ত ব্ৰিটিছে থ'লে Assamese। 'অসমীয়া'—জাতিটোও, ভাষাটোও।

শংকৰদেৱৰ দিনত 'অসম'ত অসম নাছিল; 'কামৰূপ'ৰ গৌৰৱগাথাও পোত খাই গৈছিল সময়ৰ অন্ধকাৰত। অৱশেষ আছিল এটা ধাৰণা ঃ সেইবাবে বৰপেটা সত্ৰক 'তিনি ৰাজ্যৰ বন্দনী থান' বোলোঁতে আহোম আৰু কোচ ৰাজ্যৰ মাজত 'কামৰূপ' নামটোও সোমাই আছিল। তেতিয়াৰ এই 'কামৰূপ' আছিল যথাক্ৰমে আহোম আৰু কোচৰাজ্যৰ সীমাৰ বাহিৰত কিন্তু মধ্যস্থানত থকা, স্থানীয় ভূঞাসকলৰ পৰিচালনাৰ এখন আজিকালিৰ ভাষাত 'স্বায়ত্ত শাসন' প্ৰাপ্ত অঞ্চল। পূবে কলং আৰু পশ্চিমে মানাহ-বেকী-চাউলখোৱা নদীতন্ত্ৰৰ মাজৰ সুবৃহৎ অঞ্চলটোক ব্ৰিটিছে আহি নাম দিছিল কামৰূপ জিলা (districts of Kamroop)। এই অঞ্চলটোৱে ব্ৰিটিছ অহাৰ আগে আগে 'কোচ হাজো' নাম লৈছিল।

শংকৰদেৱে এখন বিশাল 'অসম' পাইছিল। সেইখন 'ভাষিক অসম'। কাৰণ নামটো নাথাকিলেও শংকৰদেৱৰ বহু পূৰ্বৰ পৰাই এই ভূখণ্ডত 'অসমীয়া ভাষা'টো আছিল। সেই ভাষাটো 'কামৰূপ ৰাজ্য'ৰ, কামৰূপীয়া মানুহৰ মাতৃ, কথ্য আৰু ব্যৱহাৰিক ভাষা আছিল। আমি আজি কল্পনাও কৰিব নোৱৰাকৈ বিশাল আছিল সেই 'কামৰূপ ৰাজ্য'।

## ভাষিক সমৰূপতা আহিল

মহাপুৰুষ শংকৰদেৱে (আৰু তেখেতৰ ঘাই শিষ্য মাধৱদেৱে) বিপুল পৰিমাণৰ সাহিত্য সৃষ্টি কৰি থৈ গৈছে। মাত্ৰ দুখন সংস্কৃত গ্ৰন্থ বাদ দি দুয়োজনাৰে সকলো গ্ৰন্থ অসমীয়া ভাষাৰ। মহাপুৰুষ দুজনাই লিখিবলৈ লোৱাৰ আগতেই এই ভূখণ্ডত 'অসমীয়া ভাষা' আছিল; সেই ভাষাত মাধৱ কন্দলিয়ে 'ৰামায়ণ' আৰু তাৰো আগতে, শংকৰদেৱৰ উপৰিপুৰুষ চণ্ডীবৰৰ কমতা আগমনৰ সময়ৰ কবি হৰিবৰ বিপ্ৰ আৰু হেম সৰস্বতীয়ে কমতেশ্বৰ দুৰ্লভ নাৰায়ণৰ ৰাজসভাত থাকি কাব্য ৰচনা কৰিছিল। কিন্তু শংকৰদেৱৰ পূৰ্ব অসমীয়া কবিসকল আছিল 'সভাকবি', ৰাজ পৃষ্ঠপোষকতাত, ৰাজগৃহত, ৰাজ পৰিচৰ্যাত থাকি ৰাজসন্তুষ্টিৰ উদ্দেশ্যে তেখেতসকলে কাব্য ৰচনা কৰিছিল। প্ৰাচীন কালৰ পৰা মধ্যযুগলৈকে, বৌদ্ধ সাহিত্য বাদ দি, এইটোৱেই আছিল ভাৰতবৰ্ষৰ (আৰু সেইবাবে কামৰূপ/কমতাৰো) সাহিত্য চৰ্চাৰ প্ৰচলিত ৰীতি। শংকৰদেৱে সাহিত্য ৰচনা কৰিছিল ধৰ্ম প্ৰচাৰৰ তাগিদাত; তেখেতৰ পৃষ্ঠপোষক আছিল ভকতসকল অৰ্থাৎ বহল জনসমাজখন, কোনো ৰজা নহয়।

শংকৰদেৱে নিজৰ জীৱনকালত অন্ততঃ চাৰিটা নামঘৰ ভালকৈ সজাই লৈছিল বুলি চৰিত পুথিবোৰৰ উল্লেখৰ পৰা আমি জানিব পাৰোঁ। সেই চাৰিটা হ'ল ক্ৰমে বৰদোৱা, গাংমৌথান, ধুৱাহাটা আৰু পাটবাউসী। শেষ বয়সত কাকতকুটা আৰু মধুপুৰতো দুটা নামঘৰ ৰজা নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত স্থাপন হৈছিল। নামঘৰকেইটা আছিল তেখেতৰ ৰচনাৰাজিৰ পাঠ আৰু চৰ্চাৰ কেন্দ্ৰ। তেখেতৰ প্ৰয়াণৰ পাছত, মহাপুৰুষ মাধৱদেৱৰ পৃষ্ঠপোষকতাত ধৰ্মাচাৰ্য নিয়োগৰ ব্যৱস্থা আৰম্ভ হয়। মাধৱদেৱ, শংকৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰ, নাতি-বোৱাৰী আই কনকলতা, মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰ—এই প্ৰতিগৰাকীয়েই ১২জনকৈ ধৰ্মাচাৰ্য নিয়োগ কৰি শংকৰদেৱৰ ধৰ্মমতটোৰ প্ৰচাৰ কাৰ্য তীব্ৰ আৰু ব্যাপক কৰি তুলিছিল। এনেদৰেই কোচ-কামৰূপ-আহোম ৰাজ্যত ৪৮টা নামঘৰ (বা ৪৮খন আদি সত্ৰ) স্থাপন হৈছিল। ইয়াৰ লগত আছিল পাটবাউসী, বৰপেটা, সুন্দৰীদিয়া আৰু গণককুছিৰ নামঘৰ (বা আদি সত্ৰকেইখন)। নাৰায়ণ দাস ঠাকুৰ আতা নিযুক্ত ধৰ্মাচাৰ্য নাছিল; কিন্তু তেখেত আছিল শংকৰদেৱৰ ধৰ্মমতটোৰ প্ৰকৃত প্ৰচাৰক আৰু গণসংগঠক। তেখেতে জনিয়াকে আদি কৰি কেইবাটাও নামঘৰ (আদি সত্ৰ) স্থাপন কৰিছিল। এনেদৰে শংকৰদেৱৰ মৃত্যুৰ আধা শতিকামানৰ ভিতৰতে নামঘৰ ব্যৱস্থাটো এটা সংহত ব্যৱস্থাত পৰিণত হৈছিল। কোচ আৰু কামৰূপত প্ৰথমে আৰু প্ৰথমৰ জড়তা আৰু